# কৃষ্ণকান্ত সন্দিকৈ প্ৰাথমিক উচ্চ মাধ্যমিক বিদ্যালয়

ज्ञानं परं धीमहि



## তথ্যসম্বলিত হাতপুথি

২০২৩-২৪ ইং বৰ্ষ



**(অসমীয়া মাধ্যম)**

স্থাপিত ঃ ২০১০ ইং বৰ্ষ
কৃষ্ণনগৰ, পাঠশালা
বৰপেটা (অসম)
৭৮১৩২৫
Wedsite :.kkhjc.in

অসম মাধ্যমিক শিক্ষা পৰিষদৰ (SEBA) দ্বাৰা স্বীকৃতিপ্ৰাপ্ত
DSE Reg. No : BAR-2021/FR-2/17



# পণ্ডিত প্ৰৱৰ কৃষ্ণকান্ত সন্দিকৈ

## এটি চমু পৰিচয়

বিশ্ববৰেণ্য পণ্ডিত কৃষ্ণকান্ত সন্দিকৈৰ জন্ম হয় ১৮৯৮ খ্ৰীষ্টাব্দৰ ২০ **জুলাইত।**। তেওঁ অকল পিতৃ ৰাধাকান্ত সন্দিকৈ আৰু মাতৃ নাৰায়নীৰে নহয় এই অসমৰেই এগৰাকী সুযোগ্য সন্তান। 'যি মূলা বাঢ়ে তাৰ দু পাততে চিন' - সেয়া প্ৰতিভাত হৈছে কৃষ্ণকান্ত সন্দিকৈৰ ক্ষেত্ৰত। সম্ভ্ৰান্ত পৰিয়ালত জন্ম গ্ৰহণ কৰি লাহ-বিলাসত সময় নকটোৱা এইজন মহান ব্যক্তিৰ অধ্যয়ণৰ প্ৰতিহে আছিল প্ৰবল ধাউতি। বিশেষকৈ সংস্কৃত সাহিত্যৰ প্ৰতি তেওঁৰ আসক্তি বেছি আছিল। দশম শ্ৰেণীত পঢ়ি থাকোতে তেওঁ মেঘদূত, ৰঘুবংশ, কুমাৰ সম্ভৱ আদি গ্ৰন্থবোৰ পঢ়ি শেষ কৰিছিল।

১৯১৩ চনত কৃষ্ণকান্ত সন্দিকৈয়ে প্ৰৱেশিকা পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হৈ সেই বছৰতে কলেজীয়া শিক্ষাৰ পাতনি মেলিছিল গুৱাহাটীৰ কটন কলেজত। ড° বাণীকান্ত কাকতি আৰু ড° সূৰ্য কুমাৰ ভূঞাৰ সান্নিধ্যই তেওঁক বিশেষভাৱে অনুপ্ৰাণিত কৰিছিল। কটন কলেজত পঢ়ি থকা সময়তে তেওঁ সংস্কৃতৰ উৎকৃষ্ট মহাকাব্য 'নৈষধ চৰিত' খন পঢ়ি শেষ কৰিছিল। এনে একাগ্ৰতাৰ ফলস্বৰূপে কুৰি বছৰ পিছত সেই দুৰ্বোধ্য মহাকাব্যৰ বাখ্যামূলক সমীক্ষা আৰু টীকা ভাষ্যৰে ইংৰাজীলৈ অনুবাদকৰা সন্দিকৈদেৱৰ 'নৈষধ চৰিত অব শ্ৰীহৰ্ষ' (Naisadhacarita of Sriharsa) গ্ৰন্থখন প্ৰকাশ পাইছিল। তেওঁ ১৯১৫ চনত কটন কলেজৰ পৰা প্ৰথম বিভাগত আই. এ.পাছ কৰি কলিকতালৈ গৈ সংস্কৃত কলেজৰ 'অনাৰ্চ শ্ৰেণী'ত নামভৰ্ত্তি কৰে। এই কলেজৰ পৰা 'প্ৰসন্ন কুমাৰ সৰ্বাধিকাৰী' সোণৰ পদক আৰু প্ৰতিযোগিতামূলক বৃত্তি পাই সংস্কৃতত প্ৰথম শ্ৰেণীৰ অনাৰ্চ সহ তেওঁ বি. এ. পাছ কৰে। ১৯১৯ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা সংস্কৃত সাহিত্যত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰি এম.এ ডিগ্ৰী লাভ কৰে।

জ্ঞান পিপাসু কৃষ্ণকান্ত সন্দিকৈয়ে বিদেশলৈ গৈ প্ৰায় সাত বছৰ অধ্যয়ন কৰে অক্সফোৰ্ড, পেৰিছ, বাৰ্লিন আদিত। এইসময়খিনিতে তেওঁ ফৰাছী, জাৰ্মান, লেটিন, গ্ৰীক, ইটালীয়ান, ৰাছিয়ান, স্পেনিচ আদি ভাষাবোৰত বুৎপত্তি লাভ কৰে। তেওঁ দিনে ১২/১৩ ঘন্টাকৈ অধ্যয়ন কৰি স্নাতকোত্তৰ পাঠ্যৰ লগতে ইমানবোৰ বিদেশীভাষা আয়ত্ত কৰিব পাৰিছিল। ইংলণ্ডতো তেওঁ জাকত জিলিকা তীক্ষ্ণ মেধাৰ ছাত্ৰ ৰূপে পৰিচয় দি ১৯২৩ চনত 'মৰ্ডান হিষ্টৰী'ত প্ৰথম শ্ৰেণীৰ অনাৰ্চ ডিগ্ৰী (এম.এ) লৈ অক্সফোৰ্ডৰ শিক্ষাৰ সামৰণি পেলায়।

শিক্ষা জীৱনৰ পৰিসমাপ্তি ঘটাই অসমলৈ ঘূৰি আহি তেওঁ ১৯৩০ চনত 'জগন্নাথ বৰুৱা কলেজ'ৰ প্ৰতিস্থাপক অধ্যক্ষ হিচাপে গধূৰ দায়িত্ব মূৰ পাতি লৈ ইয়াক এখন উল্লেখযোগ্য শিক্ষানুষ্ঠান হিচাপে গঢ়ি তোলে। ১৯৩৭ চনত অসম সাহিত্য সভাৰ সপ্তদশ অধিবেশনৰ সভাপতিৰ পদ অলংকৃত কৰি সভাক আগবঢ়াই লৈ যায়।১৯৪৮ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰতিস্থাপক উপাচাৰ্য্যৰ দায়িত্ব বহন কৰি এই বিশ্ববিদ্যালয়ক দেশৰ এখন উল্লেখযোগ্য বিশ্ববিদ্যালয় ৰূপে গঢ় দিয়ে।

কৃষ্ণকান্ত সন্দিকৈদেৱ চিৰযুগমীয়া আৰু বিশ্ববৰেণ্য হৈ ৰয় তেওঁৰ সহিত্য কৃতিৰ জৰিয়তে আৰু লগতে তেও 'প্ৰাচ্যবিদ্যাৰ্ণৱ' ৰূপে ভূষিত হয়। ভাৰত চৰকাৰেও তেওঁক 'পদ্মশ্ৰী' আৰু 'পদ্মভূষণ' উপাধি প্ৰদান কৰে। গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ে তেওঁক ডি. লিট. উপাধি প্ৰদান কৰে। ' পাৰ্থিৱ খ্যাতি বতাহৰ নিশ্বাসৰ বাহিৰে একো নহয়' - এয়ে আছিল সন্দিকৈ দেৱৰ জীৱন দৰ্শন। সংসাৰী জীৱন লৈও এই বিদগ্ধ পণ্ডিতজনে নিস্পৃহ ঋষিৰ দৰে জীৱন কটাহ ভাৰতীয় সংস্কৃতি আৰু দৰ্শনৰ তিনিখন মহা গ্ৰন্থ ক্ৰমে নৈষধচৰিত, যশস্তিলক আৰু সেতু বন্ধন প্ৰণয়ন কৰি বিশ্বৰ পণ্ডিত মণ্ডলীৰ মাজত নিজকে শুৱনি কৰিব পাৰিছিল। এইজনা মনিষীয়ে জীৱন নাটৰ সামৰণি পেলায় ১৯৮২ চনৰ ৭ জুন তাৰিখে।

# কৃষ্ণকান্ত সন্দিকৈ প্ৰাথমিক, উচ্চ মাধ্যমিক বিদ্যালয়

## এটি অৱলোকন

বিশ্ববিশ্ৰুত পণ্ডিত কৃষ্ণকান্ত সন্দিকৈ (১৮৯৮-১৯৮২) অকল অসমৰ এজন সুযোগ্য সন্তানেই নহয় তেওঁ অসমৰ এক ইতিহাস। এনে এজন বিশিষ্ট ভাষাবিদ, গৱেষক আৰু প্ৰাচ্যতত্ত্বৰ পণ্ডিতে তেখেতৰ পাণ্ডিত্য আৰু প্ৰাচ্যতত্ত্বৰ সাধনাৰ জড়িয়তে 'প্ৰাচ্য বিদ্যাৰ্ণৱ' খ্যাতি অৰ্জন কৰিবলৈ সক্ষম হৈছিল। সেই মহান মনিষী গৰাকীৰ জীৱন-প্ৰৱাহ, দৰ্শন আৰু আদৰ্শ নতুন প্ৰজন্মৰ বাবে অনুকৰণীয়। মনিষী গৰাকীৰ দৰ্শন তথা আদৰ্শক নতুন পুৰুষৰ মাজলৈ কঢ়িয়াই নিয়াৰ নিৰলস প্ৰচেষ্টাকল্পে 'কৃষ্ণকান্ত সন্দিকৈ প্ৰাথমিক, উচ্চ মাধ্যমিক বিদ্যালয়'ৰ শুভাৰম্ভ কৰা হৈছে।

'কৃষ্ণকান্ত সন্দিকৈ কনিষ্ঠ মহাবিদ্যালয়'ৰ বলিষ্ঠ পদক্ষেপৰ পিছত 'নিউ আইকিড' ছছাইটি'ৰ (ৰেজি নং - RS/BAR/237/T/34 of 2015-2016) উদ্যোগত প্ৰাথমিক তথা উচ্চ মাধ্যমিক পৰ্যায়ত গুণগত তথা মানবিশিষ্ট শিক্ষা আগবঢ়োৱাৰ উদ্দেশ্যেই ২০১০ খ্ৰীষ্টাব্দৰ জানুৱাৰী মাহৰ পৰা 'কৃষ্ণকান্ত সন্দিকৈ প্ৰাথমিক আৰু উচ্চ মাধ্যমিক বিদ্যালয়'ৰ অবিৰত যাত্ৰা আৰম্ভ হৈছে।

বৰ্ত্তমান বিশ্বায়নৰ যুগত শিক্ষা, স্বাস্থ্য আদিকে ধৰি বিভিন্ন দিশত ৰাজহুৱা খণ্ডৰ ভূমিকা গুৰুত্ব পূৰ্ণ যদিও ইয়াৰ প্ৰভাৱ সংকুচিত হৈ আহিছে। শিক্ষাৰ বৰ্দ্ধিত চাহিদাৰ কাৰণে ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে। বৰ্ত্তমান প্ৰতিযোগিতামূলক যুগত গুণগত তথা উচ্চ মানবিশিষ্ট শিক্ষাৰে ছাত্ৰ-ছাত্ৰীৰ জ্ঞানৰ পৰিধি বৃদ্ধি কৰি তেওঁলোকক উপযুক্ত সম্পদ হিচাপে গঢ়ি তোলাটোৱেই এই বিদ্যালয়ৰ অন্যতম লক্ষ্য। উপনিষদৰ মহান বাণী 'জ্ঞানং পৰং ধীমহি ' হ'ল আমাৰ প্ৰেৰণাৰ উৎস। বিদ্বৎ সমাজ তথা অভিভাৱকৰ সঁহাৰি তথা গঠনমূলক পৰামৰ্শই হ'ল আমাৰ পাথেয়।

# প্ৰধান শিক্ষকৰ মেজৰ পৰা....



জ্ঞানং পৰং ধীমহি —

অসম গৌৰৱ বিশ্ববন্দিত পণ্ডিত প্ৰবৰ কৃষ্ণকান্ত সন্দিকৈ দেৱৰ দৰে মহান তথা স্বনামধন্য মনীষীৰ মাৰ্গদৰ্শনেৰে অনুপ্ৰাণিত হৈ ইংৰাজী ২০১০ বৰ্ষৰ পৰা শুভাৰম্ভ কৰা ব্যক্তিগত শিক্ষানুষ্ঠান হ'ল কৃষ্ণকান্ত সন্দিকৈ প্ৰাথমিক আৰু উচ্চ মাধ্যমিক বিদ্যালয়। তেখেতৰ জীৱন শৈলীয়ে আমাক সততে সোঁৱৰাই দিয়ে যে মুষ্টিমেয় দুই এগৰাকীৰবাহিৰে সোণ-ৰূপৰ চামুচ মুখত লৈ মানৱ সম্পদৰূপী শিশুসকলৰ প্ৰতিগৰাকীয়েই কস্মিন কালেও এই ধৰাধামত ভূমিষ্ঠ হোৱা নাই। সৰুৰে পৰা কষ্টসহিষ্ণু, একনিষ্ঠ, নিৰহংকাৰী, ত্যাগী আৰু মৌ মাখিৰ দৰে নীৰৱ কৰ্মী কৰি তুলিব পাৰিলেহে এগৰাকী শিশু প্ৰকৃত মানৱ সম্পদ হৈ বিশ্বমানৱৰ কল্যাণৰ হ'কে এশ শতাংশ অৰিহণা যোগাব পাৰে। এই মহান উদ্দেশ্য আগত ৰাখিয়েই ক্ৰমাগত ভাৱে ৰাজহুৱা খণ্ডৰ শিক্ষা ব্যৱস্থা সংকুচিত হৈ অহাৰ পৰিপ্ৰেক্ষিতত আৰু তাৰ ঠাইত ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ ভূমিকা বাঢ়ি অহাৰ আপাহতে বজালী তথা অসমৰ শিক্ষা জগতত নতুনত্বৰ সংযোজন ঘটোৱাৰ প্ৰতিশ্ৰুতিৰে আমাৰ এই নিৰলস প্ৰচেষ্টা।

গোলকীয় গাওঁলৈ (Global village) ৰূপান্তৰিত হৈ পৰা আজিৰ পৃথিৱীখনক বিশ্বায়নৰ কৰাল গ্ৰাস আৰু সামাজিক মূল্যবোধৰ দ্ৰুত অৱক্ষয়ৰ কঠোৰ হাঁতোৰাৰ কেঁকোৰা- চেপাৰ পৰা ছাত্ৰ-ছাত্ৰীসকলক উদ্ধাৰ কৰি বৌদ্ধিক, মানসিক আৰু শাৰীৰিক গুণৰাজিৰ যোল অনাই উত্তৰণ ঘটাই আজিৰ প্ৰতিযোগিতাৰ যুগত তেওঁলোকক প্ৰকৃত মানৱসম্পদ আৰু সুনাগৰিক হিচাবে নিজৰ ভৰিৰ ওপৰত সগৰ্বে ঠিয় হ'ব পৰা কৰাটোৱেই আমাৰ প্ৰধান উদ্দেশ্য।

লক্ষ্য আমাৰ সুদূৰ প্ৰসাৰী আৰু দিগন্ত বিয়পা। জীৱনৰ বাটত প্ৰতি পদে পদে সন্মুখীন হ'ব পৰা হাজাৰ বাধা বিঘিনি হেলাৰঙে অতিক্ৰমি এই লক্ষ্যত উপনীত হ'বলৈ আমাৰ আছে অদম্য কৰ্মস্পৃহা আৰু মুকলি মন। সহৃদয় ৰাইজ তথা সুধী সমাজৰ অকুণ্ঠ সহাঁৰি আৰু গঠনমূলক সমালোচনা, দিহা-পৰামৰ্শই হ'ব আমাৰ অনাগত দিনৰ পাথেয়। বিগত বছৰকেইটাৰ ভুল ত্ৰুটি সংশোধন কৰি ভৱিষ্যতৰ ভেঁটি মজবুত কৰিবলৈ চেষ্টা কৰাটোৱেই হ'ব আমাৰ বিনম্ৰ প্ৰচেষ্টা — "To strive, to conquer and not to yield".

'জয়তু কৃষ্ণকান্ত সন্দিকৈ প্ৰাথমিক আৰু উচ্চ মাধ্যমিক বিদ্যালয়।'

আমাৰ আশা —
" সৰ্ব্বে ভৱন্তু সুখীনঃ
সৰ্ব্বে সন্তু নিৰাময়াঃ
সৰ্ব্বে ভদ্ৰানি পশ্যন্তু
মা কশ্চিৎ দুখভা ভৱেৎ।"

(বিশ্বেশ্বৰ বৰুৱা)
প্ৰধান শিক্ষক
যোগাযোগ - ৭৮৯৬৭ ৫৩০৭৮

| | |
|---|---|
| **শিক্ষাদানৰ মাধ্যম** | ঃ শিক্ষাদানৰ মাধ্যম অসমীয়া। ইংৰাজী ভাষাৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰা হয়। |
| **পাঠ্যক্ৰম** | ঃ বিদ্যালয়ৰ পাঠ্যক্ৰম অসম মাধ্যমিক শিক্ষা পৰিষদৰ আৰ্হিত পৰিচালিত। |

| শ্ৰেণী | বিষয় |
|---|---|
| প্ৰাক-প্ৰাথমিক | অসমীয়া |
| | ইংৰাজী |
| | গণিত |
| | ছবিঅঁকা |
| | সাধাৰণ জ্ঞান |

| শ্ৰেণী | বিষয় |
|---|---|
| প্ৰাথমিক | অসমীয়া |
| | ইংৰাজী |
| | গণিত |
| | ছবিঅঁকা |
| | সাধাৰণ জ্ঞান |

| শ্ৰেণী | বিষয় |
|---|---|
| **প্ৰথম শ্ৰেণী** | **অসমীয়া** |
| | **ইংৰাজী** |
| | **গণিত** |
| | **ছবিঅঁকা** |
| | **সাধাৰণ জ্ঞান** |
| | **সাধাৰণ বিজ্ঞান** |
| | **সংগীত** |
| | **কম্পিউটাৰ** |

| শ্ৰেণী | বিষয় |
|---|---|
| দ্বিতীয় শ্ৰেণী | অসমীয়া |
| | ইংৰাজী |
| | গণিত |
| | ছবিঅঁকা |
| | সাধাৰণ জ্ঞান |
| | **সাধাৰণ বিজ্ঞান** |
| | সংগীত |
| | কম্পিউটাৰ |

| শ্ৰেণী | বিষয় |
|---|---|
| তৃতীয় শ্ৰেণী | অসমীয়া |
| | ইংৰাজী |
| | গণিত |
| | সমাজ বিজ্ঞান |
| | সাধাৰণ বিজ্ঞান |
| | সাধাৰণ জ্ঞান |
| | ছবিঅঁকা |
| | সংগীত |
| | কম্পিউটাৰ |

| শ্ৰেণী | বিষয় |
|---|---|
| চতুৰ্থ শ্ৰণী | অসমীয়া |
| | ইংৰাজী |
| | গণিত |
| | সমাজ বিজ্ঞান |
| | সাধাৰণ বিজ্ঞান |
| | ছবিঅঁকা |
| | সংগীত |
| | নীতিশিক্ষা |
| | কম্পিউটাৰ |
| | সাধাৰণ জ্ঞান |

| শ্ৰেণী | বিষয় |
|---|---|
| পঞ্চম শ্ৰেণী | অসমীয়া |
| | ইংৰাজী |
| | গণিত |
| | সমাজ বিজ্ঞান |
| | সাধাৰণ বিজ্ঞান |
| | হিন্দী |
| | নীতিশিক্ষা |
| | পৰিবেশ বিজ্ঞান |
| | সংগীত |
| | কম্পিউটাৰ |

| শ্ৰেণী | বিষয় |
| --- | --- |
| ষষ্ঠ শ্ৰেণী | অসমীয়া |
| | ইংৰাজী |
| | গণিত |
| | সমাজ বিজ্ঞান |
| | সাধাৰণ বিজ্ঞান |
| | হিন্দী |
| | নীতিশিক্ষা |
| | পৰিবেশ বিজ্ঞান |
| | সংগীত |
| | কম্পিউটাৰ |

| শ্ৰেণী | বিষয় |
| --- | --- |
| সপ্তম শ্ৰেণী | অসমীয়া |
| | ইংৰাজী |
| | গণিত |
| | সমাজ বিজ্ঞান |
| | সাধাৰণ বিজ্ঞান |
| | হিন্দী |
| | নীতিশিক্ষা |
| | পৰিবেশ বিজ্ঞান |
| | সংগীত |
| | কম্পিউটাৰ |

| শ্ৰেণী | বিষয় |
| --- | --- |
| অষ্টম শ্ৰেণী | অসমীয়া |
| | ইংৰাজী |
| | গণিত |
| | সমাজ বিজ্ঞান |
| | সাধাৰণ বিজ্ঞান |
| | হিন্দী |
| | পৰিবেশ বিজ্ঞান |
| | সংগীত |

| শ্ৰেণী | | বিষয় |
| --- | --- | --- |
| নৱম শ্ৰেণী ঃ | | অসমীয়া |
| | | ইংৰাজী |
| | | গণিত |
| | | সমাজ বিজ্ঞান |
| | | সাধাৰণ বিজ্ঞান |
| | | পৰিবেশ বিজ্ঞান |
| | ঐচ্ছিক বিষয় ঃ | সংস্কৃত |
| | | হিন্দী |
| | | ঐচ্ছিক গণিত |
| | | সংগীত |
| | | কম্পিউটাৰ |

| শ্ৰেণী | | বিষয় |
| --- | --- | --- |
| দশম শ্ৰেণী ঃ | | অসমীয়া |
| | | ইংৰাজী |
| | | গণিত |
| | | সমাজ বিজ্ঞান |
| | | সাধাৰণ বিজ্ঞান |
| | | পৰিবেশ বিজ্ঞান |
| | ঐচ্ছিক বিষয় ঃ | সংস্কৃত |
| | | হিন্দী |
| | | ঐচ্ছিক গণিত |
| | | সংগীত |
| | | কম্পিউটাৰ |



## বিজ্ঞানাগাৰ ঃ

পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান আৰু জীৱ-বিজ্ঞানৰ ব্যৱহাৰিক জ্ঞান প্ৰদানৰ বাবে বিদ্যালয়ত আধুনিক সা- সুবিধাৰে পৰিপুষ্ট এটা বিজ্ঞানাগাৰৰ ব্যৱস্থা আছে।

## পুথিভঁৰাল ঃ

পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত পাঠ্যপুথিৰ উপৰিও অন্যান্য প্ৰসংগ পুথিৰে সন্নিবিষ্ট এটা বিজ্ঞানসন্মত পুথিভঁৰালৰ ব্যৱস্থা আছে। পুথিভঁৰাল বিদ্যালয়ৰ সকলো কৰ্মদিনতে ৰাতিপুৱা ১০ বজাৰ পৰা আবেলি ৩ বজালৈ খোলা ৰখা হয়। প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ নামত দুখনকৈ 'পুথিভঁৰাল পত্ৰ' প্ৰদান কৰা হয়। ছাত্ৰ-ছাত্ৰীয়ে এই পত্ৰৰ মাধ্যমত পুথিভঁৰালৰ পৰা সৰ্বোচ্চ ১৫ দিনৰ বাবে পুথি সংগ্ৰহ কৰিব পাৰে। পুথিৰ কোনো ক্ষতি বা লোকচান সাধন কৰিলে ছাত্ৰ- ছাত্ৰীয়ে জৰিমনা আদায় দিব লগিব।

## সহঃ পাঠ্যক্ৰম ঃ

মূল পাঠ্যক্ৰমৰ উপৰিও ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক, মানসিক আৰু শাৰীৰিক উৎকৰ্ষ সাধনৰ বাবে বিদ্যালয়ত খেল-ধেমালি, যোগ, চিত্ৰাংকন, কম্পিউটাৰ, সংগীত আৰু সাংস্কৃতিক বিষয়ৰ জ্ঞান ইত্যাদি সহঃ পাঠ্যক্ৰমিক বিষয়ৰ ব্যৱস্থা আছে। ইংৰাজী ভাষাজ্ঞান আৰু ইংৰাজীত কথপোকথনৰ প্ৰয়োজনীয়তাৰ প্ৰতি গুৰুত্ব ৰাখি বিদ্যালয়ত ইংৰাজী কথোপ-কথন শিক্ষাৰ ব্যৱস্থা আছে। এই বিষয়ত পাঠদান দৈনিক পাঠদান সূচীৰ অন্তৰ্ভূক্ত।

## শৈক্ষিক অগ্ৰগতি

ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক অগ্ৰগতিৰ মূল্যায়ণৰ বাবে নিয়মীয়াকৈ গোট পৰীক্ষা আৰু শ্ৰেণী পৰীক্ষা অনুষ্ঠিত কৰা হয়। মূল্যায়ণৰ পিছত ছাত্ৰ-ছাত্ৰীৰ বিষয় বস্তুৰ ওপৰত ৰৈ যোৱা আসোঁৱাহ সমূহ দূৰ কৰাৰ বাবে প্ৰয়োজন অনুসৰি প্ৰতিকাৰমূলকব্যৱস্থা গ্ৰহণ কৰা হয়।

## ইন্টিগ্ৰেটেড পাঠ্যক্ৰম ঃ

বৰ্তমান ছাত্ৰ-ছাত্ৰীৰ বৰ্ধিত প্ৰয়োজনৰ প্ৰতি লক্ষ্য ৰাখি আৰু দেশৰ প্ৰতিযোগিতামূলক পৰীক্ষাত আমাৰ ছাত্ৰ-ছাত্ৰীসকলে ফেৰ মাৰিব পৰাকৈ শ্ৰেণীৰ নিয়মীয়া পাঠ্যক্ৰমৰ উপৰিও প্ৰথম বাৰৰ বাবে "Integrated Programme"ৰ ব্যৱস্থা কৰা হৈছে । ইয়াত অষ্টম শ্ৰেণীৰ পৰা IIT-JEE, NEET, National Talent Search Exam (NTSC), Kishore Vaigyanik Protsahan Yojana (VVPY), Olympiad আদিৰ বাবে IIT আৰু NITৰ প্ৰাক্তন অভিজ্ঞ শিক্ষকৰ দ্বাৰা পাঠদানৰ ব্যৱস্থা আৰম্ভ কৰা হৈছে।

## Mentors

Physics Expert




Deepak Kr. Panigrahi
B.tech NIT Rourkela
9 years experience

Chemistry Expert



Amit Kumar
NIT , SILCHAR
8 years experience

Mathematics Expert



N.K. Nahak
Int. M.sc. IIT Kharagpur
7 years experience.

Biology Expert



Mahendra Khadgawat
7 years experience

## অভিভাৱক-অভিভাৱিকা সন্মিলন ঃ

ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু অভিভাৱক অভিভাৱিকাৰ মাজত সু-সমন্বয় অব্যাহত ৰাখিবলৈ সময়ে সময়ে অভিভাৱক অভিভাৱিকাৰ সন্মিলন অনুষ্ঠিত কৰা হয়। প্ৰয়োজন সাপেক্ষে প্ৰধান শিক্ষকে যিকোনো শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ অভিভাৱক- অভিভাৱিকাৰ অতিৰিক্ত সভা আহ্বান কৰিব পাৰে। গ্ৰহণযোগ্য কাৰণ নোহোৱাকৈ অনুপস্থিত থকা অভিভাৱক-অভিভাৱিকাক তেওঁলোকৰ সন্তানৰ উত্তৰণৰ ক্ষেত্ৰত নিস্পৃহ বুলি বিবেচনা কৰা হব পাৰে।

## ছাত্ৰাৱাস, ছাত্ৰীনিৱাস ঃ

চতুৰ্থ শ্ৰেণীৰ পৰা ছাত্ৰাৱাস, ছাত্ৰীনিৱাসৰ সু-ব্যৱস্থা আছে।

## অতিথি শিক্ষক ঃ

সময় সাপেক্ষে অতিথি শিক্ষকৰ দ্বাৰাও বিশেষ বিষয়ৰ বিস্তৃত পাঠদান ছাত্ৰ-ছাত্ৰীক আগবঢ়োৱাৰ ব্যৱস্থা আছে।




## পৰিবহন ঃ

ছাত্ৰ-ছাত্ৰীৰ যাতায়াতৰ সুবিধাৰ অৰ্থে পৰিবহনৰ সু-ব্যৱস্থা আছে।

**স্কুল-ইউনিফৰ্ম (বিদ্যালয়ৰ সমবেশ)**

## প্ৰাক-প্ৰাথমিক শ্ৰেণীৰ পৰা সপ্তম শ্ৰেণীৰ বাবে ঃ

ল'ৰাৰ বাবে চোলা পেন্ট, টাই, ক'লা জোতা, বগা মোজা।

ছোৱালীৰ বাবে স্কাৰ্ট-টপ, ক'লা-জোতা, বগা মোজা।

## অষ্টম শ্ৰেণীৰ পৰা দশম শ্ৰেণীৰ বাবে ঃ

ল'ৰাৰ বাবে চোলা-পেন্ট, টাই, ক'লা জোতা, বগা মোজা।

ছোৱালীৰ বাবে চুৰিদাৰ, ক'লা জোতা, বগা মোজা।

বিঃদ্ৰঃ সপ্তাহৰ প্ৰতি বুধ আৰু শনিবাৰে বিদ্যালয়ে নিৰ্ধাৰণ কৰি দিয়া **T-Shirt** ছাত্ৰ-ছাত্ৰীসকলে পৰিধান কৰি বিদ্যালয়লৈ আহিব লাগিব।



## নামভৰ্ত্তিৰ সময় ঃ ফেব্ৰুৱাৰী/মাৰ্চ মাহ

## নামভৰ্ত্তিৰ প্ৰক্ৰিয়া ঃ

নামভৰ্ত্তিৰ প্ৰ-পত্ৰ বিদ্যালয় চলি থকা দিনত কাৰ্যালয়ৰ কৰ্ম সময়ৰ ভিতৰত সংগ্ৰহ কৰিব পাৰিব। ছাত্ৰ-ছাত্ৰীৰ নামভৰ্ত্তি সম্পূৰ্ণ মেধাভিত্তিক হ'ব। দৰিদ্ৰ আৰু মেধাসম্পন্ন ছাত্ৰ-ছাত্ৰীৰ বিনামূলীয়া শিক্ষাৰ বাবে কিছুসংখক আসন সংৰক্ষিত থাকিব। উক্ত সংৰক্ষিত আসনৰ বাবে ছাত্ৰ-ছাত্ৰীয়ে অতিৰিক্ত আবেদন পত্ৰ জমা দিব লাগিব।

নামভৰ্ত্তিৰ প্ৰ-পত্ৰৰ লগত নিম্নলিখিত নথি-পত্ৰৰ ৰাজপত্ৰিত বিষয়াৰ স্বাক্ষৰযুক্ত নকল প্ৰতিলিপি জমা দিব লাগিবঃ

(ক) ছাত্ৰ-ছাত্ৰীয়ে পূৰ্বতে অধ্যয়ন কৰি থকা বিদ্যালয়ৰ পৰা উত্তীৰ্ণৰ প্ৰমাণ পত্ৰ।
(খ) নম্বৰ তালিকাৰ প্ৰমাণ পত্ৰ।
(গ) জন্মৰ প্ৰমাণ পত্ৰ।
(ঘ) কোনো বিশেষ কাৰণত শ্ৰেণীৰ পৰা বিৰত থকা ছাত্ৰ-ছাত্ৰীৰ বিৰতিৰ প্ৰমাণ পত্ৰ।
(ঙ) দৰিদ্ৰতাৰ প্ৰমাণ পত্ৰ (প্ৰয়োজন সাপেক্ষে)

ওপৰোক্ত নথিপত্ৰসমূহ বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ দ্বাৰা পৰ্যবেক্ষন আৰু অনুমোদনৰ পিচতহে নামভৰ্ত্তি নিশ্চিত হ'ব।

## নামভৰ্ত্তিৰ মাচুল ঃ

| প্ৰাক প্ৰাথমিক আৰু প্ৰাথমিক শ্ৰেণী | |
|---|---|
| নামভৰ্ত্তি মাচুল ঃ | ৭,০০০.০০ টকা |
| মাহিলি মাচুল ঃ | ৮০০.০০ টকা |

| প্ৰথম শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীলৈ | |
|---|---|
| নামভৰ্ত্তি মাচুল ঃ | ৮,৫০০.০০ টকা |
| মাহিলি মাচুল ঃ | ১০০০.০০ টকা |

| ষষ্ঠ শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ | |
|---|---|
| নামভৰ্ত্তি মাচুল ঃ | ১০,০০০.০০ টকা |
| মাহিলি মাচুল ঃ | ১,০০০.০০ টকা |

| নৱম শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ | |
|---|---|
| নামভৰ্ত্তি মাচুল ঃ | ১১,০০০.০০ টকা |
| মাহিলি মাচুল ঃ | ১,২০০.০০ টকা |

## পৰিবহন মাচুল ঃ

(প্ৰতি মাহৰ বাবে ছাত্ৰ-ছাত্ৰীয়ে দিব লগা)

| দূৰত্ব | মাচুল |
|---|---|
| ০-৫ কিলʼমিটাৰ | ১,০০০.০০ টকা |
| ৫-১০ কিলʼমিটাৰ | ১,৩০০.০০ টকা |
| ১০-১৫ কিলʼমিটাৰ | ১,৭০০.০০ টকা |
| ১৫-২০ কিলʼমিটাৰ | ২,০০০.০০ টকা |



## ছাত্ৰ-ছাত্ৰী নিৱাসৰ মাচুল ঃ

| | |
|---|---|
| নামভৰ্ত্তিৰ মাচুল | ঃ ১১,০০০.০০ টকা |
| মাহিলি ঘৰভাৰাৰ মাচুল | ঃ ১,৫০০.০০ টকা |

খাদ্যৰ বাবে ছাত্ৰ-ছাত্ৰীয়ে আৱাস অধীক্ষকৰ লগত আলোচনা কৰি মাচুল নিৰ্দ্ধাৰণ কৰি লʼব।

## ছাত্ৰাবাস / ছাত্ৰীনিৱাসৰ নিয়মাৱলী ঃ

(১) ছাত্ৰ / ছাত্ৰী নিৱাসৰ অধীক্ষকৰ অনুমতি অবিহনে কোনো ছাত্ৰ বা ছাত্ৰীয়ে আৱাস চৌহদৰ বাহিৰলৈ যাব নোৱাৰিব।

(২) ছাত্ৰ বা ছাত্ৰীক লগ কৰাৰ সময়ত প্ৰত্যেক অভিভাৱক অভিভাৱিকাই নিৱাস অধীক্ষকৰ অনুমতি লোৱাটো বাধ্যতামূলক।

(৩) মাক দেউতাকৰ বাহিৰে আন যিকোনো মানুহে ছাত্ৰ-ছাত্ৰীক লগ ধৰিব বিচাৰিলে চিনাকি পত্ৰ দেখুওৱাটো বাধ্যতামূলক।

(৪) অভিভাৱক / অভিভাৱিকাৰ বাবে ছাত্ৰ-ছাত্ৰীক লগ কৰাৰ সময় ঃ ৰবিবাৰ - ৰাতিপুৱা ৯ বজাৰ পৰা ১২ বজালৈ।

(৫) যদি কোনো ছাত্ৰ- ছাত্ৰীয়ে আৱাসত তিনিদিন খাদ্য গ্ৰহণ কৰে, তেন্তে তেওঁ আধা মাহৰ খাদ্যৰ বাবদ হোৱা মাচুল আদায় দিব লাগিব আৰু যদি ১৫ দিনতকৈ বেছি খাদ্য গ্ৰহণ কৰে তেন্তে সম্পূৰ্ণ মাহৰ খাদ্যৰ বাবদ হোৱা মাচুল আদায় দিব লাগিব।

(৬) প্ৰতি মাহৰ ১০ তাৰিখৰ আগে আগে খাদ্যৰ বাবদ হোৱা মাচুল অভিভাৱক অভিভাৱিকাই অধীক্ষকৰ হাতত জমা দিয়াটো বাধ্যতামূলক।

(৭) ছাত্ৰ-ছাত্ৰীয়ে ঘৰলৈ যাব লগা হʼলে অধীক্ষক আৰু বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ অনুমতি লোৱাটো বাধ্যতামূলক।

(৮) ছাত্ৰ-ছাত্ৰীনিৱাসত নামভৰ্ত্তি কৰাৰ পিছত যিকোনো ক্ষেত্ৰতে সম্পূৰ্ণ শিক্ষাবৰ্ষৰ ঘৰভাড়াৰ মাচুল দিয়াটো বাধ্যতামূলক।

(৯) ছাত্ৰাবাস বা ছাত্ৰীনিবাসত শান্তি শৃংখলা আৰু শৈক্ষিক পৰিবেশ বৰ্তাই ৰখাৰ স্বাৰ্থত যিকোনো উশৃংখল, অবাধ্য অথবা দুৰ্ব্যৱহাৰ কৰা ছাত্ৰ-ছাত্ৰীক পৰিচালনা সমিতিয়ে নিবাসৰ পৰা বহিস্কাৰ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিব ।

## বিদ্যালয়ৰ সময়সূচী ঃ

প্ৰাৰ্থনাৰ সময় ঃ ৰাতিপুৱা ৯-২০ বজা।
মহৎ লোকৰ বাণী আৰু সংকল্প গ্ৰহণ ঃ ৰাতিপুৱা ৯-২৫ বজা।
মৌনতা অৱলম্বন (১ মিনিট) ঃ ৰাতিপুৱা ৯-৩০ বজা।

সোমবাৰৰ পৰা শুক্ৰবাৰলৈ ঃ

প্ৰাক প্ৰাথমিকৰ পৰা প্ৰথম শ্ৰেণীলৈ ঃ

ঃ ৰাতিপুৱা ৯-৩০ বজাৰ পৰা ১২-৩০ বজালৈ।

দ্বিতীয়ৰ পৰা দশম শ্ৰেণীলৈ ঃ

ঃ ৰাতিপুৱা ৯-৩০ বজাৰ পৰা আবেলি ৩-০০ বজালৈ।



## বিদ্যালয়ৰ নিয়মাৱলী ঃ

(১) (ক) ছাত্ৰ-ছাত্ৰীসকলে প্ৰতিদিনে সমবেশত বদ্যালয়লৈ অহাটো বাধ্যতামূলক।
(খ) ঘৰত পিতৃ মাতৃক সেৱা কৰি বিদ্যালয়লৈ অহাটো অত্যন্ত সুন্দৰ কথা।

(২) ছাত্ৰ ছাত্ৰীসকলে প্ৰতিদিনে ৰাতিপুৱা ৯.২০ বজাৰ আগতে বিদ্যালয়ৰ চৌহদত উপস্থিত হোৱাটো বাধ্যতামূলক।

(৩) বিদ্যালয়ত উপস্থিত থকাৰ সময়ত ছাত্ৰ-ছাত্ৰীসকলে অনিবাৰ্য কাৰণবশতঃ ঘৰলৈ যাব লগা হ'লে বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ অনুমতি লোৱাটো বাধ্যতামূলক।

(৪) ছাত্ৰ-ছাত্ৰীসকলে মোবাইল ফোন বা অন্যান্য ইলেক্ট্ৰনিক বস্তু বিদ্যালয়লৈ অনাটো নিষেধ।

(৫) বিদ্যালয়ৰ জিৰণিৰ সময়ত ছাত্ৰ ছাত্ৰীসকলে লগত অনা টিফিন ব্যৱহাৰ কৰিব পৰিব। খোৱা লোৱাৰ বাবে বিদ্যালয়ৰ চৌহদৰ বাহিৰলৈ যাব নোৱাৰিব।

(৬) ছাত্ৰ ছাত্ৰীসকলৰ বাবে ৮৫ শতাংশ শ্ৰেণীত উপস্থিত থকাটো বাধ্যতামূলক। ইয়াতকৈ কম উপস্থিতি হ'লে বিদ্যালয়ৰ বছৰেকীয়া পৰীক্ষা দিয়াৰ বাবে অনুমতি নাপাব।

(৭) প্ৰতিটো গোট পৰীক্ষা, ছয়মাহিলি আৰু বছৰেকীয়া পৰীক্ষাত ছাত্ৰ ছাত্ৰীসকলে অৱতীৰ্ণ হোৱাটো বাধ্যতামূলক। অন্যথা প্ৰতিটো বিষয়ত ৫০ টকাকৈ জৰিমনা দিব লাগিব।

(৮) বিদ্যালয়ৰ শৈক্ষিক বৰ্ষ ১ এপ্ৰিলৰ পৰা ৩১ মাৰ্চ। ছাত্ৰ ছাত্ৰীসকলে এটি শৈক্ষিক বৰ্ষত সম্পূৰ্ণ ১২ মাহৰ মাচুল আদায় দিয়াটো বাধ্যতামূলক।

(৯) গোট পৰীক্ষাৰ ২০ শতাংশ, ছয়মাহিলিৰ ৩০ শতাংশ আৰু বছৰেকীয়া পৰীক্ষাৰ ৫০ শতাংশ নম্বৰ ধৰি উত্তীৰ্ণৰ ফলাফল ঘোষণা কৰা হ'ব।

(১০) বিদ্যালয় চৌহদত শান্তি শৃংখলা আৰু শৈক্ষিক পৰিবেশ বৰ্তাই ৰখাৰ স্বাৰ্থত যিকোনো উশৃংখল, অবাধ্য অথবা দুৰ্ব্যৱহাৰ কৰা ছাত্ৰ-ছাত্ৰীক পৰিচালনা সমিতিয়ে বিদ্যালয়ৰ পৰা বহিস্কাৰ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিব ।

## পৰীক্ষা পদ্ধতি ঃ

বিদ্যালয়ৰ এটা শৈক্ষিক বৰ্ষত ৪ টা গোট পৰীক্ষা, ছয়মাহিলি আৰু বছৰেকীয়া পৰীক্ষা এটাকৈ অনুষ্ঠিত হ'ব। দশম শ্ৰেণীৰ বাবে বাছনি পৰীক্ষাৰ আগতে এটা প্ৰাক্ - বাছনি পৰীক্ষা অনুষ্ঠিত হ'ব।

## পৰীক্ষা সূচী ঃ

| | | |
|---|---|---|
| প্ৰথম গোট পৰীক্ষা ঃ | (২৫ নম্বৰ) | ১৯ মে'ৰ পৰা। |
| দ্বিতীয় গোট পৰীক্ষা ঃ | (২৫ নম্বৰ) | ১৪ জুলাইৰ পৰা। |
| ছয়মাহিলি পৰীক্ষা ঃ | (১০০ নম্বৰ) | ১৪ ছেপ্তেম্বৰৰ পৰা। |
| তৃতীয় গোট পৰীক্ষা ঃ | (২৫ নম্বৰ) | ২০ অক্টোবৰৰ পৰা। |
| চতুৰ্থ গোট পৰীক্ষা ঃ | (২৫ নম্বৰ) | ২০ ডিচেম্বৰৰ পৰা। |
| বছৰেকীয়া পৰীক্ষা ঃ | (১০০ নম্বৰ) | ১৫ ফেব্ৰুৱাৰীৰ পৰা। |

বিঃদ্ৰঃ পৰিস্থিতি সাপেক্ষে পৰীক্ষাৰ সময় সাল-সলনি হব পাৰে। তদুপৰি ছয়মাহিলি পৰীক্ষা, দশম শ্ৰেণীৰ বাছনি পৰীক্ষা আৰু বছৰেকীয়া পৰীক্ষা জিলা পৰীক্ষা পৰিষদৰ সূচীমতেহে অনুষ্ঠিত হ'ব।

## বিদ্যালয়ৰ পৰিচালনা ঃ

বিদ্যালয় পৰিচালনা সম্পূৰ্ণৰূপে 'নিউ আইকিড' সমিতিৰ অধীনত (ৰেজি নং - RS/BAR/237/T/34 of 2015-16) থাকিব। এই ক্ষেত্ৰত সমিতিৰ অন্তৰ্ভুক্ত সদস্যৰ দ্বাৰা গঠিত পৰিচালনা সমিতিয়ে বিদ্যালয় পৰিচালনা কৰিব।

## বিদ্যালয় সলনিৰ নিয়মাৱলী ঃ

অনিবাৰ্য কাৰণবশতঃ কোনো ছাত্ৰ বা ছাত্ৰীয়ে বিদ্যালয় এৰি যাব বিচাৰিলে নিম্নলিখিত বিভাগৰ অনুমতি পত্ৰসহ প্ৰধান শিক্ষকলৈ আবেদন জনাব লাগিব। আবেদনৰ গ্ৰহণযোগ্যতা সম্পূৰ্ণৰূপে নিম্নোক্ত ব্যক্তিসকলৰ অনুমোদন সাপেক্ষে প্ৰধান শিক্ষকৰ বিবেচনাধীন হ'ব

(ক) বিদ্যালয় কাৰ্যালয়ৰ

(খ) গ্ৰন্থাগাৰিকৰ

(গ) আবাস অধীক্ষকৰ

# বিদ্যালয়ৰ শিক্ষক - শিক্ষয়িত্ৰী

**প্ৰধান শিক্ষক ঃ**

শ্ৰীযুত বিশ্বেশ্বৰ বৰুৱা, বি.এ.বি.টি।
(ফোন নং - ৭৮৯৬৭৫৩০৭৮)
প্ৰাক্তন প্ৰধান শিক্ষক, গণকপুখুৰী উচ্চ মাধ্যমিক বিদ্যালয়।

**সহ পাঠ্যক্ৰমৰ শিক্ষক ঃ**

শ্ৰীশৈলেন কাকতি, বি.এ.
(ফোন নং - ৯৪৩৫১২৪৬০৮)

**বিজ্ঞান আৰু গণিত বিষয়ৰ শিক্ষক শিক্ষয়িত্ৰী ঃ**

শ্ৰীপুলকেশ শৰ্মা, এম.এচ.চি., ডি.এল.এড্
শ্ৰীটুনটুন শৰ্মা, বি.এচ.চি., বি.মিউজ.
শ্ৰীহেমেন পাটগিৰি, বি.এচ.চি, ডি.এল.এড্
শ্ৰীধনজিৎ শৰ্মা, বি.এ., ডি.এল.এড্
শ্ৰীমৃন্ময় কলিতা, বি.এচ.চি, ডি.এল.এড্
শ্ৰীৰিমজিম তালুকদাৰ, এম.এচ.চি,ডি.এল.এড্
শ্ৰীদিম্পু হালৈ, এম.এচ.চি
শ্ৰীঅপূৰ্ব মেধী, এম. এচ. চি, বি.এড্.
শ্ৰীৰকিবুল ইছলাম, এম.এচ.চি

**ইংৰাজী বিষয়ৰ শিক্ষক শিক্ষয়িত্ৰী ঃ**

শ্ৰীবিশ্বেশ্বৰ বৰুৱা, বি.এ., বি.টি.
শ্ৰীচন্দামিতা তালুকদাৰ, এম.এ., ডি.এল.এড্
শ্ৰীমিতালী শৰ্মা, বি.এ., বি.মিউজ., ডি.এল.এড্
শ্ৰীজ্যোতিপ্ৰসাদ বৈশ্য, বি.এ., ডি.এল.এড্
শ্ৰীজোন ডেকা, এম.এ., বি.এড্.

**সমাজ অধ্যয়ন বিষয়ৰ শিক্ষক শিক্ষয়িত্ৰী ঃ**

শ্ৰীচন্দামিতা তালুকদাৰ, এম.এ, ডি.এল.এড্
শ্ৰীভূপ্ৰভা ডেকা, এম.এ, ডি.এল.এড্
শ্ৰীচিমি গোস্বামী, এম.এ.
শ্ৰীৰিতুমণি গায়ন, এম.এ.
শ্ৰীবন্দনা গোস্বামী, এম.এ.

**সংস্কৃত বিষয়ৰ শিক্ষক শিক্ষয়িত্ৰী ঃ**

শ্ৰীদীপক শৰ্মা, এম.এ.
শ্ৰীমালবিকা দাস, এম.এ., ডি.এল.এড্
শ্ৰীধনজিৎ শৰ্মা, বি.এ., ডি.এল.এড্

**অসমীয়া বিষয়ৰ শিক্ষক শিক্ষয়িত্ৰী ঃ**

শ্ৰীপুৰৱী শৰ্মা, এম.এ., ডি.এল.এড্
শ্ৰীমালবিকা দাস, এম.এ., ডি.এল.এড্
শ্ৰীদুলু তালুকদাৰ, এম.এ., ডি.এল.এড্
শ্ৰীগুণজিৎ তালুকদাৰ, বি.এ., ডি.এল.এড্
শ্ৰীবুলুমনি কলিতা, এম.এ., ডি.এল.এড্
শ্ৰীজয়াস্মিতা কলিতা, এম.এ.

**হিন্দী বিষয়ৰ শিক্ষক শিক্ষয়িত্ৰী ঃ**

শ্ৰীৰাজেন ৰয়, বিশাৰদ, বি মিউজ
শ্ৰীদুলু তালুকদাৰ, এম.এ., ডি.এল.এড্

**ছবিআঁকা বিষয়ৰ শিক্ষক ঃ**

শ্ৰীগৌতম চৌধুৰী, বি.এ., ডিপ্লমা চাৰুকলা



### সংগীত বিষয়ৰ শিক্ষক ঃ

শ্ৰীৰাজেন ৰয়, বিশাৰদ, বি মিউজ

### কাৰ্যালয় সহায়ক ঃ

শ্ৰীটিকেন দাস, বি.এ., ডি.এল.এড্
(ফোন ঃ ৯৭০৬৫৪০৪১৮)

### ছাত্ৰাবাস অধীক্ষক ঃ

শ্ৰীঅপূৰ্ব বড়ো (ফোন ঃ ৭০৯৯৪ ১৬৮৪৭)

### ছাত্ৰীবাস অধীক্ষিকা ঃ

শ্ৰীকৃষ্ণাক্ষী দাস (ফোন ঃ ৬০০১০২৯৬৬৩)

### চতুৰ্থ বৰ্গৰ কৰ্মচাৰী ঃ

শ্ৰীপাপৰি দাস
শ্ৰীকংকন ৰয়
শ্ৰীব্ৰজেন কাকতি

### পৰিবহন সহায়ক ঃ

শ্ৰীউৎপল কলিতা (ফোন ঃ ৯৯৫৭৭৭৩০৮৬)
শ্ৰীধীৰেণ দাস (ফোন ঃ ৭৩৯৯৩৫২০২০)
শ্ৰীহৰেকৃষ্ণ দাস (ফোন ঃ ৯৯৫৪৬১৪৭৪৪)
শ্ৰীজয়ন্ত ৰয় (ফোন ঃ ৯৪৩৫২৯৫৬৫৮)
শ্ৰীদুলু দাস (ফোন ঃ ৬৯০০২৪৯৩২৯)
শ্ৰীছবিন বড়ো (ফোন ঃ ৭০০২৫৬১৫২৫)
শ্ৰীৰূপকুমাৰ ৰয় (ফোন ঃ ৯৩৬৫৭১০৩১১)
শ্ৰীপ্ৰদীপ বৰ্মন (ফোন ঃ ৮৮৭৬৭৩৬৭৫৩)
শ্ৰীচন্দন কলিতা (ফোন ঃ ৯৩৬৫৭৭৪৫০৭)
শ্ৰীৰাজীৱ ৰয় (ফোন ঃ ৯৯৫৪৮৬৩৩৪৪৮)
শ্ৰীভুৱনেশ্বৰ দাস (ফোন ঃ ৯৯৫৪৫৩২৫৯০)
শ্ৰীঅপূৰ্ব কলিতা (ফোন ঃ ৬০০২০৬৫৩৬৪)
শ্ৰীমাধৱ বায়ন (ফোন ঃ ৭৬৩৬৮৮৮৪৬১ )
শ্ৰীসন্তোষ দৈমাৰী (ফোন ঃ ৬০০৩৫৯২৪২৯)
শ্ৰীধীৰাজ ৰয় (ফোন ঃ ৯৭০৬৭৫১৪৩২ )
শ্ৰীপাপুমণি শৰ্মা (ফোন ঃ ৬০০০৫২৫১৪৩)



সভাপতি ঃ
ড° ধীৰাজ শৰ্মা

সম্পাদক ঃ
ড° গোপেশ্বৰ তালুকদাৰ

কৃঃ কাঃ সঃ প্ৰাঃ ঃ উঃ মাঃ বিদ্যালয়

কাৰ্যালয় যোগাযোগ ঃ ৬০০০০ ২০৮৫৮



# বিদ্যালয় সংগীত

লুইতপৰীয়া তুমি কৃষ্ণকান্ত
জ্ঞানৰ প্ৰদীপ তুমি চিৰ জ্বলন্ত
তোমাৰ জ্ঞানৰ শিখাত জ্বলে
বহু মনৰে দিগন্ত

জ্ঞানৰ নগৰীত আজি পূৰপ্ৰান্ত
তোমাৰ নামেৰে চিৰ উদ্দীপ্ত
বিদ্যালয় আমাৰ কৃষ্ণকান্ত
তোমাৰ অমৰ নামেৰেই হ'ল
চিৰ নামাঙ্কিত

লুইতপৰীয়া তুমি ..........
..................................

জ্ঞানৰ বৃক্ষ এই বিদ্যালয়
সন্দিকৈ কৃষ্ণকান্ত
তাৰেই ছাঁত আমি বহোঁ বহুজন
মনত আশা অফুৰন্ত
লক্ষ্য আমাৰ জ্ঞানৰ প্ৰশান্ত
উজ্বলাবলে এন্ধাৰ দিগন্ত

লুইতপৰীয়া তুমি .........

ৰচনা - খগেন মেধি
সুৰ - শ্ৰীমনোজ কলিতা






Design & Print @ **DESTINY,** Ph. 94351 09360